আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক


www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, JANUARY 18, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ২২ Guwahati, Assam ।। মূল্যঃ এটকা

## ন্যায় যাত্ৰাৰ বিৰুদ্ধে গোচৰ প্ৰশাসনৰ



# টকাৰে কিনিব পাৰি হিমন্তক!

# যোৰহাটত ৰাহুল গান্ধী

# ভাৰতৰ আটাইতকৈ দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা!

ই-সংবাদ, যোৰহাট, ১৮ জানুৱাৰীঃ **যোৰহাটত বিয়লি এখন জনসভা সম্বোধন কৰি বিজেপি-আৰএছএছ আৰু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে সৰৱ হৈ পৰে ৰাহুল গান্ধী। যোৱা বছৰ কন্যাকুমাৰীৰ পৰা আৰম্ভ কৰি কাশ্মীৰত অন্ত পেলোৱা ভাৰত জোড়ো যাত্ৰাৰ কথা সুঁৱৰি ৰাহুল গান্ধীয়ে কয় যে সেই যাত্ৰাৰ লক্ষ্য আছিল বিজেপি আৰু আৰএছএছে যি ঘৃণা দেশত বিয়পাইছে তাৰ বিৰুদ্ধে থিয় হোৱা। বিজেপি-আৰএছএছে জাতি, ধৰ্ম আৰু ভাষাৰ মাজত ব্যৱধান আনি ভাৰতবৰ্ষক খণ্ডিত কৰাৰ অভিযোগ তোলে ৰাহুল গান্ধীয়ে।**

■ বিতং বাতৰি ২নং পৃষ্ঠাত



প্ৰথম পৃষ্ঠাৰ পৰা

# ভাৰতৰ আটাইতকৈ দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী

তেওঁ কয়, "আমি বিচাৰো সমগ্ৰ দেশ হাতে-হাত ধৰি আগবাঢ়ক। প্ৰতিটো ধৰ্ম, প্ৰতিটো জাতি আৰু ৰাজ্যৰ লোকে একেলগে আগবাঢ়ক।" ভাৰত জোড়ো যাত্ৰাৰ যথেষ্ট প্ৰভাৱ ভাৰতীয় ৰাজনীতিৰ ওপৰত পৰা বুলি দাবী কৰি ৰাহুল গান্ধীয়ে কয় যে যি সময়ত তেওঁ ভাৰত জোড়ো যাত্ৰা কৰিছিল সেই সময়ত উত্তৰ-পূৰ্বাঞ্চলৰ লগতে বাকী ৰাজ্যত যাত্ৰা কৰিবলৈ বহুতে তেওঁক পৰামৰ্শ দিছিল। আৰু তাৰ বাবেই এই ন্যায় যাত্ৰা বাহিৰ কৰা বুলি মন্তব্য কৰে ৰাহুল গান্ধীয়ে। মণিপুৰৰ পৰা নাগালেণ্ড হৈ অসমত প্ৰৱেশ কৰা এই যাত্ৰাই ৮ দিন অসমৰ বিভিন্ন স্থানৰ মাজেৰে আগবাঢ়িব বুলিও মন্তব্য কৰে ৰাহুল গান্ধীয়ে। তেওঁ কয়, "এই যাত্ৰাৰ সময়ত আমি আপোনালোকৰ সমস্যাসমূহ বুজিম আৰু সমগ্ৰ দেশৰ সন্মুখত সেয়া তুলি ধৰিম।" ৰাহুল গান্ধীয়ে কয় যে, অসম আৰু ভাৰতৰ অন্য ৰাজ্যত কেন্দ্ৰৰ বিজেপি চৰকাৰে অন্যায় সংঘটিত কৰিছে। মণিপুৰৰ কথা উল্লেখ কৰি ৰাহুলে কয়, "প্ৰথমবাৰ এখন ৰাজ্যত চিভিল ৱাৰ জাৰি হৈ আছে। মাহ মাহ ধৰি জ্বলি আছে, হিংসাই দ্বিখণ্ডিত কৰিছে। কিন্তু কেইবামাহ অতিক্ৰম কৰাৰ পিছতো প্ৰধানমন্ত্ৰী এবাৰলৈ মণিপুৰ লৈ যোৱা নাই।" কংগ্ৰেছ নেতাগৰাকীয়ে পুনৰ কয়, "হিংসাক অসমতকৈ অধিক ভালদৰে আন কোনেও উপলব্ধি কৰিব নোৱাৰে। এটা সময় আছিল যেতিয়া আপোনালোক বাহিৰলৈ ওলাব পৰা নাছিল। হিংসা আছিল, ঘৃণা বিয়পি আছিল আৰু মানুহৰ হত্যা কৰা হৈছিল। আৰু মনত ৰাখক, সেই সময়ত কংগ্ৰেছ দল আপোনালোকৰ কাষত থিয় হৈছিল। কংগ্ৰেছে হিংসাৰ পৰিৱেশ আঁতৰাই অসমবাসীক একত্ৰিত কৰিছিল। কিন্তু আজি বিজেপি আৰু অসমৰ মুখ্যমন্ত্ৰীয়ে অসমখন বিভক্ত কৰাৰ কাম কৰি আছে।" ৰাহুল গান্ধীয়ে কয়, "মই কোৱাৰ প্ৰয়োজন নাই, আপোনালোকে জানেই যে চাগে ভাৰতৰ আটাইতকৈ দুৰ্নীতিগ্ৰস্ত, ভ্ৰষ্ট মুখ্যমন্ত্ৰীজনেই হৈছে অসমৰ মুখ্যমন্ত্ৰীজন। তেওঁৰ পৰিয়ালৰ প্ৰতিজন সদস্য, লাগিলে সেয়া তেওঁৰ সন্তানেই হওক বা তেওঁৰ পত্নীয়ে হওক, সকলোৱে একেলগে দুৰ্নীতি সংঘটিত কৰি আছে। আৰু তেওঁ ভাৱে যে টকাৰে গোটেই অসমৰ জনতাত কিনি ল'ব পাৰি। কাৰণ তেওঁক টকাৰে ক্ৰয় কৰিব পাৰি, সেইবাবেই তেওঁ ভাৱে যে সমগ্ৰ অসমৰ জনতাকে টকাৰে ক্ৰয় কৰিব পাৰি। কিন্তু অসমৰ জনতাক টকাৰে ক্ৰয় কৰিব নোৱাৰি। অসমৰ জনতাৰ কোনো মূল্য লগাব নোৱাৰি। অসমৰ জনতা শংকৰদেৱৰ জনতা। তেওঁ আপোনালোকক পথ দেখুৱাইছে আৰু আপোনালোকে আন দেশক পথ দেখুৱাইছে।" নিবনুৱা সমস্যাৰ কথা ভাষণত উল্লেখ কৰি ৰাহুল গান্ধীয়ে কয় যে দেশৰ যুৱ প্ৰজন্মৰ মাজত এতিয়া আটাইতকৈ ডাঙৰ বিষয়টোৱে হৈছে সংস্থাপনহীনতা। পুনৰ এবাৰ আদানী প্ৰসংগ উত্থাপন কৰি তেওঁ কয়, "দুই তিনিজন উদ্যোগপতিৰ বাবেই চৰকাৰ চলাই থকা হৈছে। বিমান বন্দৰ হওক বা বন্দৰ হওক, নৰেন্দ্ৰ মোদীয়ে সকলো আদানীৰ হাতত তুলি দিছে। আৰু ইফালে আপোনালোকৰ মুখ্যমন্ত্ৰীয়ে সকলোবোৰ নিজৰ কৰি লৈছে। যাৰ দ্বাৰা সংস্থাপন সৃষ্টি হয়, তেনে ক্ষুদ্ৰ আৰু মাধ্যমিক ব্যৱসায় জিএছটি আৰু বিমুদ্ৰাকৰণেৰে ধ্বংস কৰি পেলোৱা হৈছে। ইয়াৰ পৰিণামস্বৰূপে দেশৰ সকলো উদ্যোগ এটাৰ পিছত এটাকৈ বন্ধ হ'বলৈ ধৰিছে আৰু নিবনুৱাৰ মাজত সংস্থাপনহীনতা বাঢ়িবলৈ ধৰিছে।" উল্লেখ্য যে, মণিপুৰৰ পৰা আৰম্ভ হোৱা ৰাহুল গান্ধীৰ বহু চৰ্চিত ভাৰত জোড়ো ন্যায় যাত্ৰা নাগালেণ্ডৰ মাজেৰে আজি পুৱা অসমত প্ৰৱেশ কৰে৷ নাগালেণ্ডৰ পৰা অসম-নাগালেণ্ড সীমান্তৱৰ্তী নাজিৰা সমষ্টিৰ হালুৱাটিংত প্ৰৱেশ কৰে৷ হালুৱাটিঙত পুৱাই ৰাহুল গান্ধীক আদৰণি জনাবলৈ পুৱাই হাজাৰ হাজাৰ লোক পথৰ দাঁতিলৈ ওলাই আহে৷ তাৰ পাছতে হালুৱাটিঙত নিৰ্মাণ কৰা অস্থায়ী মঞ্চত ৰাহুল গান্ধীৰ উপস্থিতিত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ নেতৃত্বত অনুষ্ঠিত হয় ৰাষ্ট্ৰীয় পতাকা হস্তান্তৰ অনুষ্ঠান৷ নাগালেণ্ড প্ৰদেশ কংগ্ৰেছৰ সভাপতি এছ. চপংমৰেন জামিৰে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক ৰাষ্ট্ৰীয় পতাকা অৰ্পণ কৰে। মঞ্চত ভাষণ প্ৰদান কৰি নাগালেণ্ড প্ৰদেশ কংগ্ৰেছৰ সভাপতি আৰু নাগালেণ্ড কংগ্ৰেছক ধন্যবাদ জনায়। নাগালেণ্ডত ভাৰত জোড়ো ন্যায় যাত্ৰা সুন্দৰকৈ পৰিচালনা কৰাৰ লগতে নাগালেণ্ডবাসীৰ সমৰ্থন পোৱাৰ দাবী কৰে ৰাহুলে৷ আনহাতে ৰাহুল গান্ধীয়ে অসমতো একেধৰণৰ সহযোগিতা আৰু সমৰ্থন লাভ কৰিম বুলি কয়৷ হালুৱাটিঙৰ পৰা মৰিয়নিলৈ ৰাহুল গান্ধীৰ বাছ যাত্ৰাৰ সময়তে এক বিপৰীত দৃশ্য দেখা যায়৷ বিজেপি চৰকাৰে আজি অনুষ্ঠিত কৰা চেক বিতৰণ অনুষ্ঠানৰ সন্মুখেৰে ৰাহুল গান্ধীৰ বাছ যাত্ৰা পাৰ হৈ যোৱাৰ সময়তে মহিলাসকলে ৰাস্তাৰ কাষলৈ ওলাই আহে৷ বাছ ৰখাই ৰাহুল গান্ধীক ফুলাম গামোচাৰে আদৰণি জনাই মহিলাসকলে৷ মহিলাসকলে চৰকাৰৰ কাৰ্যসূচী এৰি ৰাহুল গান্ধীক সাক্ষাৎ কৰিবলৈ দৌৰি ওলাই অহা কাণ্ডই ব্যাপক চৰ্চা লাভ কৰিছে৷

# এইবাৰ ৪০০ পাৰ! হিমন্ত বিশ্ব শৰ্মাৰ শ্ল'গান

**ই-সংবাদ, ১৮ জানুৱাৰীঃ** আজি অসম ৰাজ্যিক বিজেপিৰ বশিষ্ঠস্থিত মুখ্য কাৰ্যালয়ত বিশেষ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়৷ এই প্ৰশিক্ষণ শিবিৰত উপস্থিত থাকে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা৷ মুখ্যমন্ত্ৰীয়ে কাৰ্যকৰ্তাসকলক আগন্তুক লোকসভা নিৰ্বাচন সন্দৰ্ভত দলীয় স্থিতি শক্তিশালী কৰাৰ লগতে কেন্দ্ৰ-ৰাজ্য চৰকাৰৰ আঁচনিসমূহৰ বিষয়ে ৰাইজক অৱগত কৰিবলৈ আহ্বান জনায়৷ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই 'এইবাৰ চাৰিশ পাৰ' শ্ল'গান দি নেতা-কৰ্মীক শক্তি বৃদ্ধি কৰাৰ প্ৰয়াস কৰে৷ লোকসভা নিৰ্বাচনৰ পূৰ্বে এইবাৰ লোকসভা নিৰ্বাচনত ৪০০ খন আসন লাভ কৰিব বুলিও দাবী কৰে মুখ্যমন্ত্ৰীয়ে৷ ইপিনে ৰাহুল গান্ধীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক হিন্দুস্তানৰ সকলোতকৈ দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী বুলি আক্ৰমণ কৰে৷

# পিছ দুৱাৰেৰে মুখ্যমন্ত্ৰী হৈছে হিমন্ত বিশ্ব শৰ্মা! ভূপেন বৰাৰ দাবী

## নিমাতীঘাটত নিশা পাৰ কৰিব ৰাহুল গান্ধীয়ে



**ই-সংবাদ, ১৮ জানুৱাৰীঃ** আজি পুৱা ৮ বজাত ৰাহুল গান্ধীয়ে নাগালেণ্ডৰ তুলি ডাকঘৰৰ পৰা পুনৰ আৰম্ভ কৰে ন্যায় যাত্ৰা। পুৱা ৯.৩০ বজাত অসম সীমান্তত উপস্থিত হয়। হালুৱাটিঙত ৰাষ্ট্ৰীয় পতাকা হস্তান্তৰৰ পাছতে যোৰহাটৰ নকচাৰী দেবাৰাপাৰাৰ পৰা আৰম্ভ কৰি নেহৰু পাৰ্ক চাৰিআলিলৈ যাত্ৰা কৰে গান্ধীয়ে। আবেলি পিছতে এখন ৰাজহুৱা সভা সম্বোধন কৰে ৰাহুল গান্ধীয়ে। আজি মৰিয়নিৰ পুঠিনদীত কংগ্ৰেছ নেতৃত্বই এখন সংবাদমেল সম্বোধন কৰে। সাংবাদমেলত কংগ্ৰেছৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে কয় যে এখন ৰাজ্য চৰকাৰৰ সভা অনুষ্ঠিত হৈ আছিল। সেই সভাত অংশ লোৱা মহিলাসকলে সভা এৰি ৰাহুল গান্ধীক সাক্ষাৎ কৰিবলৈ দৌৰি ওলাই আহে। ভাৰত জোড়ো ন্যায় যাত্ৰাৰ বাছ দেখি সভা এৰি অহা মহিলাসকলে ৰাহুল গান্ধীক আদৰণি জনায়। অসমত প্ৰথম দিনটোতে অসমৰ মানুহে ৰাহুল গান্ধীৰ ন্যায় দাবীৰ বাৰ্তাক আদৰি লৈছে। আমি অসমত আৰু ৭টা অতিবাহিত কৰিম। বিজেপি চৰকাৰে ন্যায় যাত্ৰা বিফল কৰিবলৈ বহুত প্ৰয়াস কৰিছে। বহুত বাধা দিছে। আমাৰ সন্মুখত কোনো লোকক থিয় কৰি দিয়া হৈছে। অসমৰ যুৱ প্ৰজন্ম আৰু সকলো সম্প্ৰদায়ৰ মাজলৈ যাত্ৰাৰ বাৰ্তা যাব বুলিও ক. জয়ৰাম ৰমেশে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই সংবাদমেল সম্বোধন কৰি কয় যে অসমীয়া মানুহে ঘৰলৈ অহা অতিথিক সদায়েই আপ্যায়ন কৰে। অসমীয়াত কোৱা হয় যে 'শত্ৰুকো বৰপীৰা দিবা'। এই পৰম্পৰা যোৰহাট আৰু শিৱসাগৰ জিলাৰ লোকে পালন কৰি দেখুৱালে। কিন্তু অসমীয়াৰ এই পৰম্পৰা নিঃশেষ কৰিব খুজিছে অসমৰ মুখ্যমন্ত্ৰীয়ে। আজি ৰাহুল গান্ধী যোৰহাট আছে অসমৰ চৰকাৰে যোৰহাটত চেক বিতৰণ কাৰ্যসূচী ৰাখিছে। কালি ৰাহুল গান্ধী মাজুলীত থাকিব। কাইলৈ মাজজুলীত চেক বিতৰণ কাৰ্যসূচী ৰখা হৈছে। কিন্তু মই ৰাহুল গান্ধীক পূৰ্বে কৈ থৈছিলো। সেই ঠাইত গাড়ী নৰখাবলৈ ৰাহুল গান্ধীক কৈ থৈছিলো। কিন্তু আশ্বৰ্যকৰ কথা এয়াই যে বহু মহিলাই সভা এৰি ৰাহুল গান্ধীৰ বাছৰ সন্মুখলৈ আহে। মহিলাই কয় যে ৰাহুল গান্ধী ডাঙৰীয়া আপোনাৰ সৈতে হাত মিলাব লাগে, আপোনাৰ সৈতে আলিংগন কৰিব লাগে। যেতিয়া ৰাহুল গান্ধীয়ে বাছৰ পৰা নামিছিল তেতিয়া সকলো মহিলাই কয় আপুনি সভাৰ অনুষ্ঠানলৈ আহক। তাত আপোনাক বাকী মহিলাসকলেও সাক্ষাৎ কৰিব বিচাৰে। অসমৰ মানুহে মুখ্যমন্ত্ৰীক এক বাৰ্তা দিলে বুলি উল্লেখ কৰি ভূপেন বৰাই কয় যে অসমৰ এইগৰাকী মুখ্যমন্ত্ৰী কোনো জনপ্ৰিয় বা ৰাইজে নিৰ্বাচন কৰা মুখ্যমন্ত্ৰী নহয়। এইগৰাকী লোকে পিছ দুৱাৰেৰে মুখ্যমন্ত্ৰী হৈছে। মুখ্যমন্ত্ৰী ডাঙৰীয়া আপোনাৰ চৰকাৰৰ সভালৈ অহা মহিলাই বেগৰ পৰা উলিয়াই ৰাহুল গান্ধীক গামোচা পিন্ধাইছে। শ্ৰীমন্ত শংকৰদেৱ আৰু ডঃ ভূপেন হাজৰিকাৰ এইখন ৰাজ্যত এই পৰম্পৰা বৰ্তাই ৰাখিবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনাই ভূপেন বৰাই। আজি নিশাটো যোৰহাটৰ নিমাতীঘাটত পাৰ কৰি কাইলৈ পুৱা ৭ বজাত যাত্ৰা মাজুলী অভিমুখে নাৱেৰে যাত্ৰা আৰম্ভ কৰিব গান্ধীয়ে। মাজুলী আউনীআটী সত্ৰ পৰিদৰ্শন কৰি ৰোড শ্ব আৰু জনসভা সম্বোধন কৰিব। ঢকুৱাখনা অভিমুখে যাত্ৰা কৰি নিশা গোগামুখত কটাব। ২০ জানুৱাৰীত ৰাহুল গান্ধীয়ে ঐতিহাসিক পদুমণি থানত সেৱা লৈ বগীনদী হৈ যাত্ৰা আৰম্ভ কৰি লখিমপুৰত ৰোড-শ্ব' কৰিব। নাওবৈচা হৈ অৰুণাচল প্ৰদেশৰ ইটানগৰলৈ যাব ৰাহুল গান্ধীয়ে। গান্ধীয়ে অসমত ৮৩৩ কিলোমিটাৰ যাত্ৰা কৰিব। ২৫ জানুৱাৰীত পশ্চিমবংগত প্ৰৱেশ কৰিব ৰাহুল গান্ধী।

# ৰাহুলৰ বাবে নাই ফেৰী! মাজুলীৰ সকলো ফেৰী ভাড়া কৰিলে অদৃশ্য শক্তিয়ে



## ■ যোৰহাটত ৰাহুল গান্ধীৰ বিৰুদ্ধে গোচৰ
## ■ মাজুলীলৈ যাবলৈ বিকল্প ব্যৱস্থা গ্ৰহণ এপিচিচিৰ

**ই-সংবাদ, ১৮ জানুৱাৰীঃ** উজনিৰ শিৱসাগৰ আৰু যোৰহাট জিলাত ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাই অভূতপূৰ্ব সহাৰি লাভ কৰাৰ পাছতে ৰাজ্য চৰকাৰে ৰাহুল গান্ধীৰ যাত্ৰা বিফল কৰিবলৈ পুনৰ প্ৰয়াস কৰাৰ অভিযোগ উত্থাপন কৰিছে৷ বিশেষকৈ যোৰহাট জিলা প্ৰশাসনে উঠি-পৰি লাগিছে বুলি অভিযোগ কৰিছে প্ৰদেশ কংগ্ৰেছে৷ যোৰহাটত বাছ যাত্ৰাৰ সময়ত চহৰখনত বিশৃংখল পৰিস্থিতিৰ সৃষ্টি কৰাৰ অভিযোগ আনি কংগ্ৰেছ নেতা কে.বি বিজুৰ বিৰুদ্ধে গোচৰ ৰুজু হৈছে। পথ নিৰ্দেশনা অমান্য কৰা আৰু হুলস্থুলীয়া পৰিৱেশ সৃষ্টি কৰাৰ অভিযোগত প্ৰশাসনে গোচৰ ৰুজু কৰিছে বুলি জানিব পৰা যায়৷ ৰাহুল গান্ধীৰ এই যাত্ৰাৰ সময়ত নীতি-নিয়ম অমান্য কৰিলে আইনী ব্যৱস্থা গ্ৰহণৰ বাৰে বাৰে ধমক দিছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীৰ সকিয়নীৰ পাছতে তৎপৰ হয় যোৰহাট প্ৰশাসন। কংগ্ৰেছে প্ৰতিক্ৰিয়া ব্যক্ত কৰি ধিক্কাৰ জনাই বিজেপিৰ ফেচিষ্ট চৰিত্ৰ পোহৰলৈ অহা বুলি দাবী কৰাৰ লগতে কংগ্ৰেছৰ শক্তিত বিজেপি কম্পমান বুলিও কয়৷ ইপিনে ৰাহুল গান্ধীৰ যাত্ৰা ব্যৰ্থ কৰিবলৈ অপচেষ্টা কৰাৰ অভিযোগৰ মাজতে মাজুলীৰ ফেৰী লাভ নকৰিলে ৰাহুল গান্ধীয়ে৷ ১৯ জানুৱাৰীৰ পুৱাই নদীদ্বীপ মাজুলীলৈ যাব ৰাহুল গান্ধী৷ মাজুলীৰ মাজুলী আউনীআটী সত্ৰ পৰিদৰ্শন কৰি ৰোড-শ্ব আৰু জনসভা সম্বোধন কৰিব। সত্ৰাধিকাৰৰ সৈতে মত-বিনিময় কৰাৰ লগতে ভাওনা উপভোগ কৰাৰ কাৰ্যসূচী নিৰ্ধাৰণ কৰা হৈছিল৷ কিন্তু ৰাহুল গান্ধীৰ ন্যায় যাত্ৰা শাসকীয় বিজেপি দল আৰু চৰকাৰে ব্যৰ্থ কৰিবলৈ অপচেষ্টা কৰাৰ অভিযোগ উত্থাপন কৰিছে প্ৰদেশ কংগ্ৰেছে৷ কাইলৈ পুৱাৰে পৰা সকলো ফেৰী কোনো অজ্ঞাত লোকৰ নামত বুকিং কৰা বুলি অভিযোগ উত্থাপন কৰিছে প্ৰদেশ কংগ্ৰেছে৷ ৰাহুল গান্ধীৰ সৈতে যাবলগীয়া বাহনসমূহ নিবলৈ ফেৰী লাভ নকৰিলে প্ৰদেশ কংগ্ৰেছে৷ ফেৰী বুকিং কৰিবলৈ যোৱাৰ সময়তে ফেৰীসমূহ কোনো অজ্ঞাত লোকৰ নামত বুকিং হৈ থকাৰ কথা উল্লেখ কৰা বুলি সংশ্লিষ্ট কৰ্তৃপক্ষৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰে কংগ্ৰেছে৷ গান্ধীক মাজুলী প্ৰৱেশত বাধা দি বাহনৰ সৰবৰাহত অনুমতি নিদিয়াৰো অভিযোগ উত্থাপন হৈছে৷ ৰাহুল গান্ধীৰ সৈতে থকা বাহন পাৰ কৰাত বাধা দিব খোজাৰ অভিযোগ উত্থাপন হোৱাৰ লগতে ফেৰীৰ ঘাট সলনি কৰাৰ অভিযোগ উত্থাপন হৈছে৷ ৰাহুল গান্ধীক মাজুলীলৈ নিবলৈ বিকল্প ব্যৱস্থা কৰিব বুলি জানিব পৰা গৈছে৷

# ২২ জানুৱাৰীত অসমতো অৰ্ধ ছুটী ঘোষণা

**ই-সংবাদ, ১৮ জানুৱাৰীঃ** ৰামময় হৈ পৰিছে সমগ্ৰ দেশ। মাজত মাথো কেইটামান দিন। দেশৰ ভিন্ন প্ৰান্তত অযোধ্যাৰ ৰাম মন্দিৰত প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানক লৈ উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। এই অনুষ্ঠানৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে ২২জানুৱাৰীত সকলো কৰ্মচাৰীৰ বাবে অৰ্ধ ছুটীৰ ঘোষণা কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ অধীনত কাম কৰা সকলো কৰ্মচাৰীয়ে উক্ত দিনটোত অৰ্ধ ছুটী লাভ কৰিব বুলি ভাৰত চৰকাৰে আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে। উল্লেখ্য যে, উক্ত দিনটোত অসম চৰকাৰেও কৰ্মচাৰীসকলক অৰ্ধছুটী প্ৰদান কৰাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে।





■ ন্যায় যাত্ৰাত ৰাহুল গান্ধীক যোৰহাটত স্কুলীয়া ছাত্ৰ-ছাত্ৰী আৰু মহিলাৰ আদৰণি

# ন্যায় যাত্ৰাক ‘মিঞা যাত্ৰা’ বুলি নামকৰণ হিমন্ত বিশ্ব শৰ্মাৰ

**ই-সংবাদ, ১৮ জানুৱাৰীঃ** ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাই উজনি অসমত ব্যাপক সমৰ্থন লাভ কৰাৰ দাবী কৰিছে প্ৰদেশ কংগ্ৰেছে৷ প্ৰদেশ কংগ্ৰেছৰ কেইবাগৰাকী নেতাই ৰাহুল গান্ধীৰ ন্যায় যাত্ৰালৈ হাজাৰ লোক ওলাই অহাৰ লগতে এই যাত্ৰাক সমৰ্থন কৰাৰ দাবী কৰে৷ আজি অসমত ৰাহুল গান্ধীৰ যাত্ৰাৰ প্ৰথম দিনটোত পথৰ দাঁতিত হাজাৰ হাজাৰ লোকে আদৰণি জনোৱা বহু ভিডিঅ' আৰু ফটোও ভাইৰেল হৈছে৷ কিন্তু ৰাহুল গান্ধীৰ যাত্ৰা আৰম্ভ হোৱাৰ পূৰ্বৰে পৰা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই যাত্ৰাক অসমৰ মিঞাসকলে আদৰি ল'ব বুলি দাবী কৰি আহিছিল৷ মুখ্যমন্ত্ৰীৰ এই দাবীক যেন মিছা প্ৰমাণিত কৰিলে উজনি অসমৰ জনগণে৷ উজনি অসমৰ জনগণে স্বতঃস্ফূৰ্ত সহাৰি জনাই এই যাত্ৰাক৷ মুখ্যমন্ত্ৰীৰ কৰি অহা দাবীক উজনি অসমৰ নাগৰিকে নস্যাৎ কৰিছে বুলিয়েই ক'ব পাৰি৷ মুখ্যমন্ত্ৰীয়ে আজিও এই যাত্ৰাক মিঞা সম্প্ৰদায়ে আকোৱালি ল'ব বুলি দাবী কৰে৷ এই যাত্ৰা মুখ্যতঃ মিঞা সম্প্ৰদায় জনবসতিপূৰ্ণ অঞ্চল কেন্দ্ৰীভূত৷ ইয়াৰ প্ৰকৃত অভিপ্ৰায়ক প্ৰশ্ন উত্থাপন কৰে মুখ্যমন্ত্ৰীয়ে। ইপিনে যোৰহাটত মুখ্যমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ পৰিয়ালক হিন্দুস্তানৰ দুৰ্নীতিগ্ৰস্ত পৰিয়াল বুলি দাবী কৰিছে ৰাহুল গান্ধীয়ে৷ ৰাহুল গান্ধীৰ আক্ৰমণৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰী শৰ্মাই কয় যে গান্ধী পৰিয়ালৰ দুৰ্নীতি বোফৰ্ছ গোচৰৰ পৰা ভূপাল গেছ ট্ৰেজেডীলৈকে বিস্তৃত। ভূপাল ট্ৰেজেডীৰ পিছত এণ্ডাৰছনক দেশৰ পৰা পলায়ন কৰাত সহায় কৰিছিল গান্ধী পৰিয়ালে। দুৰ্নীতিৰ উপৰিও, গান্ধীসকলে মিছা উপাধি ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰে। ৰাহুল গান্ধীৰ নেতৃত্বৰ এই ন্যায় যাত্ৰাক সমালোচনা কৰি ‘মিঞা যাত্ৰা’ বুলি নামাকৰণ কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই।


# জামিনৰ পিছতে সুকন্যাক আকৌ গ্ৰেপ্তাৰ

**ই-সংবাদ, ১৮ জানুৱাৰীঃ** বক্ৰ পথেৰে চাকৰি লোৱা এচিএছ সুকন্যা বৰাক পুনৰ গ্ৰেপ্তাৰ কৰিছে মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে৷ কেইবাৰো জেৰাৰ কৰাৰ অন্তত মাঘ বিহুৰ পাছতে সুকন্যাক গ্ৰেপ্তাৰ কৰে মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে৷ ন্যায়ালয়ৰ নিৰ্দেশৰ ভিত্তিত ৰাজ্য চৰকাৰে গঠন কৰা এছআইটি-এ জেৰা কৰিছিল বৰাক৷ বক্ৰ পথেৰে চাকৰি লোৱাৰ লগতে ৮ বছৰীয়া চাকৰি কালত কেইবা কোটি টকাৰ সম্পত্তী আহৰণ কৰিছিল বিতৰ্কিত বৰাই৷ আয় বহিৰ্ভূত সম্পত্তিৰ তথ্য পোহৰলৈ অহাত গোচৰ ৰুজু কৰা হৈছিল৷ ৮ বছৰীয়া চাকৰি কালত কোটি কোটি টকা আৰু সম্পত্তি কেনেকৈ ঘটিলে তাকে তদন্ত কৰি আছে মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে৷ ৰাজপত্ৰিত বিষয়া তথা এচিএছ সুকন্যাই দুৰ্নীতিত লিপ্ত থাকি অবৈধভাৱে সম্পত্তিৰ ঘটিছিল৷ উল্লেখ্য যে জামিন পোৱাৰ পাছতে আজি সুকন্যাক পুনৰ গ্ৰেপ্তাৰ কৰা হয়৷ আনহাতে, লোক নিৰ্মাণ বিভাগৰ অৱসৰপ্ৰাপ্ত অভিযন্তা ছামেদ আলী আৰু ডিএফঅ' ভাস্কৰ ডেকাকো গ্ৰেপ্তাৰ কৰে তদাৰকী শাখাই৷ পঞ্চমবাৰ জেৰাৰ অন্তত আয় বহিৰ্ভূত সম্পত্তিৰ গোচৰত গ্ৰেপ্তাৰ হয় ছামেদ আলী, ভাস্কৰ ডেকা৷

# ৰানৱেত খাদ্য গ্ৰহণ যাত্ৰীৰ, ইণ্ডিগোক ১.২০ কোটিৰ জৰিমনা

## চৰকাৰী ব্যৱস্থা বিফল হোৱাৰ অভিযোগ





**নতুন দিল্লী, ১৮ জানুৱাৰীঃ** বেয়া বতৰৰ বাবে দেশত বহু বিমানৰ উৰণ বাতিল কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে৷ ফলত দিল্লী বিমান বন্দৰত ক্ষোভিত যাত্ৰীয়ে পাইলটক আক্ৰমণ কৰাৰ ঘটনা সংঘটিত হৈছে৷ আনহাতে মুম্বাই বিমানবন্দৰত যাত্ৰীক ৰানৱেত খাদ্য খাবলৈ দিয়াৰ অভিযোগ উত্থাপন হৈছে৷ এটা ভিডিঅ’ ব্যাপক হাৰত ভাইৰেল হৈছে৷ য'ত কিছু লোকে ৰানৱেত বহি ৰাতিৰ আহাৰ খাই আছিল। ৰানৱেত খাদ্য গ্ৰহণ কৰাৰ ঘটনাৰ পাছতে চৰকাৰী ব্যৱস্থাক বিভিন্নজনে সমালোচনা কৰে৷ যাত্ৰীক অপমান কৰাৰো অভিযোগ উঠে৷ এই ঘটনাৰ পাছতে ইণ্ডিগো এয়াৰলাইনছৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছে সংশ্লিষ্ট কৰ্তৃপক্ষই৷ এই খবৰে ব্যাপক চৰ্চা লাভ কৰাত চৰকাৰে বুধবাৰে ইণ্ডিগো আৰু মুম্বাই বিমানবন্দৰত জৰিমনা বিহাৰ ঘোষণা কৰিছে। বৃহস্পতিবাৰে কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই এই বিষয়ত কয় যে কেইদিনমানৰ পৰা বতৰ বেয়া। অৱতৰণ আৰু উৰণ কঠিন হৈ পৰিছে যদি অসম্ভৱ নহয়৷ ইয়াৰ ফলত এটাৰ পিছত এটাকৈ কেইবাটাও ঘটনা ঘটিছে। ৰানৱেত খাদ্য খাবলৈ দিয়া ঘটনাক লৈ জ্যোতিৰাদিত্য সিন্ধিয়াই কয় যে এই বিষয়ে অৱগত হোৱাৰ পাছতে মন্ত্ৰালয়ৰ সকলো বিষয়াৰ সৈতে এখন বৈঠক অনুষ্ঠিত কৰে৷ তাৎক্ষণিকভাৱে কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা হয়। যাত্ৰীসকল অসুবিধাত পৰিছিল৷ তেওঁলোকে ৰানৱেত খাব লগা হৈছিল। এনে বিষয়ক লৈ আপোচ কৰিব নোৱাৰি। এয়া গ্ৰহণযোগ্য নাছিল। ৩-৪ ঘণ্টাৰ ভিতৰত জাননী জাৰি কৰি ২৪ ঘণ্টাৰ ভিতৰত জৰিমনা আৰোপ কৰা হৈছিল। বিমান সুৰক্ষা নিয়ন্ত্ৰকে বুধবাৰে ৰানৱেত যাত্ৰীসকলে খাদ্য খোৱাৰ ঘটনাৰ বাবে ইণ্ডিগো আৰু মুম্বাই আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ লিমিটেডক জৰিমনা আৰোপ কৰিছে। অসামৰিক বিমান পৰিবহন সুৰক্ষা ব্যুৰোৰ এক নিৰ্দেশ অনুসৰি, ইণ্ডিগোক ১.২০ কোটি টকা আৰু বিমানবন্দৰ লিমিটেডক ৬০ লাখ টকাৰ জৰিমনা আৰোপ কৰা হৈছে। দেওবাৰে, গোৱা-দিল্লীবিমানখন মুম্বাইত অৱতৰণ কৰাৰ লগে লগে, কেইবাজনো যাত্ৰী ইণ্ডিগো বিমানৰ পৰা ওলাই আহি ৰানৱেত বহিছিল আৰু তাত খাদ্য গ্ৰহণ কৰা দেখা গৈছিল।

# কোকৰাঝাৰৰ সাংসদ নব কুমাৰ শৰণীয়াৰ সাংসদ পদ কৰ্তনৰ দাবী

**ই-সংবাদ, কোকৰাঝাৰ, ১৮ জানুৱাৰীঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ নৱ কুমাৰ শৰণীয়াৰ সাংসদ পদ কৰ্তন হ'ব নেকি তাকে লৈ সম্প্ৰতি ব্যাপক চৰ্চা অব্যাহত আছে। আজি কোকৰাঝাৰত বড়োলেণ্ড জনজাতি সুৰক্ষা মঞ্চই এক সংবাদমেলৰ আয়োজন কৰি সাংসদ নৱ কুমাৰ শৰণীয়াৰ সাংসদ পদ খাৰিজ কৰিবলৈ দাবী উত্থাপন কৰিছে। সংবাদমেলত বড়োলেণ্ড জনজাতি সুৰক্ষা মঞ্চৰ কাৰ্যকাৰী সভাপতি দাওৰাও দেখেৰ নাৰ্জাৰী আৰু কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ চানছুমা খুংগুৰ বৈছুমুথিয়াৰীয়ে কয় যে ২০১৯ চনৰ পৰাই নৱ কুমাৰ শৰণীয়াৰ জাতিৰ প্ৰমানপত্ৰৰ বিৰুদ্ধে বড়োলেণ্ড জনজাতি সুৰক্ষা মঞ্চই যুঁজ দি আহিছিল। সেইসময়ত সন্থাৰ সভাপতি জনকলাল বসুমতাৰীয়ে ২০১৯ চনৰ ১১ জুন তাৰিখে সাংসদ নৱ কুমাৰ শৰণীয়া প্ৰকৃততে বড়ো -কছাৰীমূলৰ নহয় বুলি ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ কমিটিলৈ পত্ৰ প্ৰেৰণ কৰি তেওঁৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ আৱেদন জনাইছিল। ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ কমিটি আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ত নৱ কুমাৰ শৰণীয়াৰ লিগেচী ডাটা, বিদ্যালয়ৰ ৰেকৰ্ড, শৰণীয়া যে অনুসূচিত জনজাতি নহয় তাৰ তথ্য পাতি দাখিল কৰিছিল। অৱশেষত ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ কমিটিয়ে সুদীৰ্ঘ ৪ বছৰ পিছত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে ৰিপৰ্ট দাখিল কৰে য'ত নৱ কুমাৰ শৰণীয়া বড়ো-কছাৰীমূলৰ নহয় বুলি উল্লেখ আছে। নৱ কুমাৰ শৰণীয়া অনুসূচিত জনজাতিৰ লোক নহয় বুলি দাবী কৰি নৱ কুমাৰ শৰণীয়াৰ সাংসদ পদ খাৰিজৰ দাবী উত্থাপন কৰিছে বড়োলেণ্ড জনজাতি সুৰক্ষা মঞ্চই। তদুপৰি সাংসদ পদ কৰ্তন হোৱাৰ পিছত সাংসদ হিচাপে বিগত ১০ বছৰে লাভ কৰা দৰমহা, সকলো সা-সুবিধা ঘূৰাই দিব লাগিব অন্যথা জে'ললৈ যাব লাগিব বুলি মন্তব্য প্ৰদান কৰিছে বড়োলেণ্ড জনজাতি সুৰক্ষা মঞ্চই। গুৱাহাটী উচ্চ ন্যায়ালয়, ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ কমিটিক ধন্যবাদ জ্ঞাপন কৰি বড়োলেণ্ড জনজাতি সুৰক্ষা মঞ্চই সংবাদমেলত যিসকল ট্ৰাইবেল লোক নহয় তেনেলোকক ৰাজনৈতিক ষড়যন্ত্ৰৰ বলি হৈ চাৰ্টিফিকেট প্ৰদান নকৰিবলৈ ট্ৰাইবেল সংঘৰ প্ৰতি আহ্বান জনাইছে। সংবাদমেলত চানছুমা খুংগুৰ বৈছুমুথিয়াৰীয়ে আৰু কয় যে অসম চৰকাৰৰ শেহতীয়া নিৰ্দেশমৰ্মে যিসকলৰ পিতৃ-মাতৃ ট্ৰাইবেল চাৰ্টিফিকেট আগতেই পাইছে তাৰ ওপৰত ভিত্তি কৰি নতুন প্ৰজন্মই চাৰ্টিফিকেট পোৱাৰ ব্যৱস্থা কৰিব লাগে বুলি নিৰ্দেশনা দিছে। কলেজৰ অধ্যক্ষ, বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ যোগেদি এতিয়া জাতিগত প্ৰমাণপত্ৰ দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। উক্ত কাৰ্য অতি নিন্দনীয় আৰু চৰকাৰৰ এনে সিদ্ধান্তক সৌঁহাতেদি দি বাওঁহাতেদি নিয়া বুলি কঠোৰ সমালোচনা কৰিছে বড়োলেণ্ড জনজাতি সুৰক্ষা মঞ্চই।

# অৰবিন্দ কেজৰিৱালৰ সংগ ত্যাগ হাৰিয়ানাৰ অশোক তানৱাৰৰ

## কংগ্ৰেছৰ সৈতে মিত্ৰতাক লৈ মুকলি ক্ষোভ প্ৰকাশ

**নতুন দিল্লী, ১৮ জানুৱাৰীঃ** আম আদমী পাৰ্টিৰ হাৰিয়ানাৰ শীৰ্ষ নেতা অশোক তানৱাৰে দল ত্যাগ কৰাৰ ঘোষণা কৰিছে৷ আজি এক্সত এটা পোষ্ট দি আম আদমী পাৰ্টিৰ পৰা পদত্যাগ ঘোষণা কৰিছে অশোক তানৱাৰে৷ আম আদমী পাৰ্টিৰ সভাপতি আৰু দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাললৈ এখন পত্ৰ লিখি অশোক তানৱাৰে কংগ্ৰেছ আৰু আম আদমী পাৰ্টিৰ মাজত মিত্ৰতা



হোৱাত ক্ষোভ ব্যক্ত কৰে৷ অশোক তানৱাৰ হাৰিয়ানাৰ এজন প্ৰখ্যাত নেতা। আম আদমী পাৰ্টিত যোগদান কৰাৰ পূৰ্বে কংগ্ৰেছৰ সভাপতি আছিল। চিৰচা লোকসভা সমষ্টিৰ সাংসদো আছিল। অশোক তানৱাৰে আম আদমী পাৰ্টিত যোগদান কৰাৰ আগতে তৃণমূল কংগ্ৰেছত যোগদান কৰিছিল। বৃহস্পতিবাৰে, অশোক তানৱাৰে দলৰ সিদ্ধান্তত অসন্তুষ্ট হৈ আম আদমী পাৰ্টিৰ পৰা পদত্যাগ কৰে। প্ৰকৃততে, মিত্ৰতাত আম আদমী পাৰ্টিয়ে ইণ্ডিয়া মিত্ৰজোঁটত যোগদান কৰাত ক্ষোভ ব্যক্ত কৰে৷ এনে পৰিস্থিতিত দলৰ পৰা পদত্যাগ কৰে।

# গুৱাহাটীৰ পল্টনবজাৰত গ্ৰেপ্তাৰ ২ নাৰীক হত্যা কৰা কোকৰাঝাৰৰ কনেশ

**ই-সংবাদ, কোকৰাঝাৰ, ১৮ জানুৱাৰীঃ** কোকৰাঝাৰৰ নিকটৱৰ্তী ছটো মলানডুবিত দেবলাই ৰায় নামৰ এগৰাকী মহিলাক নৃশংসভাৱে হত্যা কৰা ঘাতক স্বামীক অৱশেষত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে৷ কোকৰাঝাৰ সদৰ আৰক্ষীয়ে কালি গুৱাহাটী মহানগৰীৰ পল্টনবজাৰৰ পৰা হত্যাকাৰী তথা মৃত দেবলাই ৰায়ৰ স্বামী কনেশ ৰায়ক ( ৫৮ ) গ্ৰেপ্তাৰ কৰিছে৷ উল্লেখ্য যে যোৱা ১১ জৱাৰীত কনেশ ৰায়ে চোকা অস্ত্ৰৰে ডিঙি ৰেপি হত্যা কৰিছিল পত্নী দেবলাই ৰায়ক। হত্যা কৰি কোকৰাঝাৰৰ ছটো মলানডুবি গাঁৱৰ দৰদৰিয়া নৈত পেলাই দিছিল মৃতদেহ। যোৱা ১২ জানুৱাৰীত মহিলা গৰাকীৰ মৃতদেহ আৰক্ষীয়ে উদ্ধাৰ কৰিছিল। পত্নীক হত্যা কৰাৰ পিছৰে পৰা পলাতক আছিল কনেশ ৰায়। অৱশেষত কালি কোকৰাঝাৰ আৰক্ষীয়ে গুৱাহাটীৰ পল্টন বজাৰৰ পৰা কনেশ ৰায়ক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ইয়াৰ পূৰ্বেও অৰ্থাৎ ১৯৯৭ চনত কনেশ ৰায়ে দেৱলীবালা ৰায় নামৰ এগৰাকী মহিলাৰ সতে প্ৰেম কৰি অবৈধ সম্পৰ্ক স্থাপন কৰিছিল৷ দেৱলীবালা ৰায়ে তেতিয়া বিবাহৰ বাবে জোৰ দিয়াত কনেশ ৰায়ে দেৱলীবালা ৰায়কো হত্যা কৰি কোকৰাঝাৰৰ ভালুকঝোৰা জংঘলত মৃতদেহ পেলাই দিছিল। দেৱলীবালা ৰায়ক হত্যা কৰাৰ অপৰাধত আটক হৈ প্ৰায় ৮ মাহ জেল খাটিছিল কনেশ ৰায়ে কিন্তু জামিনত মুক্ত হোৱাৰ পিছৰে পৰা সুদীৰ্ঘ বছৰ ধৰি পলাতক হৈ আছিল কনেশ ৰায়। পলাতক হৈ থকা সময়ছোৱাত কনেশ ৰায়ে গুৱাহাটী মহানগৰীৰ বিভিন্ন ঠাইত শ্ৰমিক হিচাপে কাম কৰি আহিছিল৷ ইপিনে পলাতক হৈ থকা কালতে কোকৰাঝাৰৰ ভোটগাঁৱৰ নিকটৱৰ্তী জামাদাৰপাৰা গাঁৱৰ নিবাসী কনেশ ৰায়ে নিজকে নিৰঞ্জন ৰায় বুলি ভুৱা পৰিচয় দি যোৱা ৫/৬ বছৰ পূৰ্বে কোকৰাঝাৰ জিলাৰে গোসাইগাঁৱৰ দেবলাই ৰায় নামৰ মহিলাৰ সৈতে প্ৰেমৰ সম্পৰ্ক স্থাপন কৰে আৰু তিনিমাহ মান পূৰ্বে দেবলাই ৰায়ৰ সৈতে কনেশ ৰায় বিবাহপাশত আৱদ্ধ হয়৷ দেবলাই ৰায়ৰ দ্বিতীয় পতি আছিল কনেশ ৰায়। সেইসূত্ৰে গোসাইগাঁওতো মাজে সময়ে থাকিছিল কনেশ ৰায় আৰু গোসাইগাঁৱত থাকোতে নিজকে নিৰঞ্জন ৰায় হিচাপে পৰিচয় দিছিল কনেশ ৰায়ে। কনেশ ৰায়ে গুৱাহাটীতে থকাৰ বাবে পত্নীক গুৱাহাটীলৈ লৈ যাব বিচাৰিছিল। কিন্তু দেবলাই ৰায়ে গুৱাহাটী যাবলৈ অমান্তি হোৱাত দুয়োৰ মাজত কাজিয়াৰ সূত্ৰপাত হৈছিল৷ ইয়াৰ পিছতে যোৱা ১১ জানুৱাৰীৰ দিনাখন পত্নী দেবলাই ৰায়ক বিহু খাবলৈ স্বগৃহ জামাদাৰপাৰালৈ আনিছিল কনেশ ৰায়ে। তাৰপিছত পত্নী দেবলাই ৰায়ক পৰিকল্পিতভাৱে হত্যা কৰি মৃতদেহ ছটো মলানডুবিৰ দৰদৰিয়া নদীত পেলাই দিছিল। উক্ত ঘটনাৰ পিছত ব্যাপক চাঞ্চল্যই বিৰাজ কৰিছিল আৰু অভিযান চলাই আৰক্ষীয়ে দুই নাৰীক হত্যা কৰা কনেশ ৰায় ওৰফে নিৰঞ্জনক গ্ৰেপ্তাৰ কৰে।

# তেজপুৰলৈ সুনাম কঢ়িয়াইছে দেৱাশিস বৰাই

**ই-সংবাদ, তেজপুৰ, ১৮ জানুৱাৰীঃ** অসম লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ হৈ তেজপুৰলৈ সুনাম কঢ়িয়াই আনিলে দেৱাশিস বৰাই৷ আয়োগৰ অসম অসামৰিক সেৱাত (জুনিয়ৰ গ্ৰেড) তেজপুৰৰ দেৱাশিস বৰাই ৪৭ সংখ্যক স্থান



লাভ কৰিছে৷ দেৱাশিস তেজপুৰ নিৱাসী তৰুণ বৰা আৰু অঞ্জলি বৰাৰ পুত্ৰ৷ আইআইটি খড়গপুৰৰ পৰা ডিগ্ৰী লোৱা দেৱাশিস উইপ্ৰ'ত অভিযন্তা হিচাপে কৰ্মৰত হৈ আছিল৷ তেজপুৰৰ বিভিন্ন দল-সংগঠনে দেৱাশিস বৰাক অভিনন্দন জ্ঞাপন কৰিছে৷

# এপিএছচি, ডিকমৰ নাম উজ্বলালে তিনি সু-সন্তানে

**ই-সংবাদ, চাবুৱা, ১৮ জানুৱাৰীঃ** অসম লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ হৈ ডিকমৰ নাম উজ্বলাইছে তিনি সু-সন্তানে৷ ৰাজপত্ৰিত বিষয়া হিচাপে উত্তীৰ্ণ অসম চৰকাৰক সেৱা আগবঢ়াব বিবেক শৰ্মা, হাৰ্ণি দুৱৰা আৰু লিণ্টু গোহাঁয়ে৷ অসম লোকসেৱা আয়োগৰ পৰীক্ষাত ৰাজহ বিভাগৰ উপ-পঞ্জীয়ক শাখাত ২য় স্থান লাভ কৰিছে ডিকম টাউনৰ বিবেক শৰ্মাই৷ বিনোদ শৰ্মা আৰু ৰীণা শৰ্মাৰ সুযোগ্য সন্তান বিবেক শৰ্মা৷ অসম লোকসেৱা আয়োগৰ পৰীক্ষাত সহকাৰী একাউণ্ট বিষয়াৰ পৰীক্ষাত উত্তীৰ্ণ হৈছে ডিকম টাউনৰ হাৰ্ণি দুৱৰা৷ খনেশ্বৰ দুৱৰা আৰু প্ৰভাৱতী দুৱৰাৰ কনিষ্ঠ কন্যা হাৰ্ণি দুৱৰা৷ ডিকমৰ লিণ্টু গোহাঁয়ো এই পৰীক্ষাত উত্তীৰ্ণ হৈছে৷ ডিকমৰ নাদুৱা গ্ৰাণ্ট গাঁৱৰ প্ৰয়াত কুমুদ গোহাঁই আৰু গুনদা গোহাঁইৰ জ্যেষ্ঠ পুত্ৰ লিণ্টু গোহাঁই অসম নগৰ প্ৰশাসনিক শাখাত ৫৯ স্থান লাভ কৰিছে৷ ডিকমৰ নাদুৱা গ্ৰাণ্ট গাঁৱৰ লিণ্টু গোঁহাই প্ৰথমজন যুৱক যিয়ে অসম লোকসেৱা আয়োগৰ পৰীক্ষাত অৱতীৰ্ণ হৈ উত্তীৰ্ণ হৈছে৷ লিণ্টু গোহাঁইৰ সফলতাত ঘৰখনত আনন্দ দেখা গৈছে৷ দৰিদ্ৰতা কেতিয়াও হেণ্ডাৰ হ'ব নোৱাৰে তাকে প্ৰমাণ কৰি দেখুৱালে লিণ্টু গোহাঁয়ে৷ পিতৃৰ মৃত্যুৰ পাছৰে পৰা কষ্টৰে অধ্যয়ন কৰি বৰ্তমান গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়িক সহায়ক পদত কৰ্মৰত হৈ আছিল লিণ্টু গোহাঁই৷




## অংকিতাই লগোৱা বেনাৰ পহৰা দিছে অসম আৰক্ষীয়ে!

# ৰাহুলক কাষত নাপাই হিয়া উজাৰি কান্দিলে অংকিতাই!

**ই-সংবাদ, ১৮ জানুৱাৰীঃ** নিজ দলৰে শীৰ্ষ নেতাৰ বিৰুদ্ধে যৌন নিৰ্যাতনৰ অভিযোগ উত্থাপন কৰি দলৰ ৰোষত পৰিছিল প্ৰাক্তন মন্ত্ৰী অঞ্জন দত্তৰ কন্যা অংকিতা দত্ত৷ যুৱ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি শ্ৰীনিৱাস বি.ভিৰ বিৰুদ্ধে এই অভিযোগ উত্থাপন কৰিছিল৷ ফলত ২০২৩ চনৰ ২৩ এপ্ৰিলত ৬ বছৰলৈ কংগ্ৰেছৰ পৰা বহিষ্কাৰ কৰিছিল অংকিতা দত্তক৷ অসম যুৱ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি অংকিতা দত্তই ভাৰত জোড়ো ন্যায় যাত্ৰাৰ সময়ত ৰাহুল গান্ধীক সাক্ষাৎ কৰি ন্যায় বিচাৰিছিল। অংকিতা দত্তই আজি ভাৰত জোড়ো ন্যায় যাত্ৰাৰ সময়ত ৰাহুল গান্ধীৰ পৰা ন্যায় দাবী কৰি বিশৃংখল পৰিস্থিতিৰ সৃষ্টি কৰিব খোজাৰ অভিযোগ উত্থাপন হৈছে৷ কিন্তু ঠোঁত মুখ ছেলেকী উভতি আহিবলগীয়া হয় অংকিতা দত্ত৷ একাংশ সমৰ্থকক লৈ ‘অংকিতাৰ বাবে ন্যায়’ ফেষ্টুন লৈ প্ৰতিবাদ জনায়৷ নিলম্বন হোৱা স্বত্বেও অংকিতা দত্তই ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাত অংশ ল’বলৈ গৈছিল৷ শিৱসাগৰ জিলাৰ আমগুৰিত সমৰ্থকক লৈ প্ৰতিবাদ সাব্যস্ত কৰে৷ ৰাহুল গান্ধীক এখন স্মাৰকপত্ৰ দাখিল কৰিবলৈ গৈ বিফল হয়৷ ৰাহুল গান্ধীৰ বাছ অংকিতা দত্ত আৰু সমৰ্থকৰ কাষেৰে পাৰ হৈ যায় যদিও বাছ নৰখালে৷ আনহাতে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা আৰু ৰাষ্ট্ৰীয় নেতা জয়ৰাম ৰমেশে এই ক্ষেত্ৰত প্ৰতিক্ৰিয়া ব্যক্ত কৰি অংকিতা দত্তক মুখ্যমন্ত্ৰীৰ ছত্ৰছায়াত কাম কৰি থকাৰ অভিযোগ উত্থাপন কৰে৷ ভূপেন বৰাই কয় যে যেতিয়া অংকিতা দত্তই যেতিয়া অভিযোগ উত্থাপন কৰিছিল সেই সময়ত মোক সাক্ষাৎ কৰিছিল৷ মই তেতিয়া সৰ্বভাৰতীয় নেতাক সাক্ষাৎ কৰি বিষয়টোৰ বিচাৰ কৰাৰ কথা দিছিলো৷ কিন্তু অংকিতাই মোৰ কথা নুশুনি হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি এজাহাৰ দাখিল কৰে৷ আনহাতে জয়ৰাম ৰমেশে অংকিতা দত্তই নিজ পিতৃ অঞ্জন দত্তক অপমান কৰি বুলি উল্লেখ কৰে৷ আনহাতে শিৱসাগৰৰ আমগুৰি সমষ্টিৰ বিভিন্ন প্ৰান্তত অংকিতা দত্তই ন্যায় বিচাৰি কিছু বেনাৰ লগোৱা পৰিলক্ষিত হৈছে৷ এই বেনাৰসমূহ কংগ্ৰেছ নেতা-কৰ্মীয়ে আতৰাই ৰাহুৰ গান্ধীৰ সমৰ্থনত বেনাৰ লগাব খুজিছিল৷ কংগ্ৰেছ নেতা-কৰ্মীসকলে বেনাৰ আতৰাবলৈ যোৱাৰ সময়ত বেনাৰসমূহ পৰহা দি আছিল আৰক্ষীয়ে৷ আৰক্ষীয়ে অংকিতা দত্তৰ বেনাৰসমূহ আতৰোৱাত বাধা প্ৰদান কৰা বুলি জানিব পৰা গৈছে৷ ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই ক্ষেত্ৰত প্ৰতিক্ৰিয়া ব্যক্ত কৰে৷ মুখ্যমন্ত্ৰীয়ে ৰাহুল গান্ধীৰ যাত্ৰা সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰি কয় ‘অসম আন্দোলনৰ ৯০০ শ্বহীদ এতিয়াও ন্যায়ৰ বাবে অপেক্ষাৰ৷ অংকিতা দত্তই ৰাহুল গান্ধীৰ পৰা কেনেকৈ ন্যায় পাব? কংগ্ৰেছে মিজোৰামৰ আইজলত বোমা নিক্ষেপ কৰিছিল। ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰা জনসাধাৰণৰ সমস্যা সমাধানৰ প্ৰয়াসতকৈ 'মিঞা' সম্প্ৰদায়ৰ বাবে কৰা ভ্ৰমণৰ দৰে যেন লাগে বুলি কয়৷

# দ্বিতীয় ৰাউণ্ডতে স্তব্ধ নাগাল

**মেলবৰ্ণ, ১৮ জানুৱাৰীঃ** ভাৰতীয় টেনিছ তাৰকা সুমিত নাগালৰ অষ্ট্ৰেলিয়ান অপেনৰ অভিযান দ্বিতীয় ৰাউণ্ডতে সামৰণি পৰিছে। আজি অনুষ্ঠিত হোৱা দ্বিতীয় ৰাউণ্ডৰ খেলত তেওঁ চীনৰ জুনচেন চানৰ বিৰুদ্ধে ৬-২, ৩-৬, ৫-৭ আৰু ৪-৬ ছেটত পৰাস্ত হয়। প্ৰথম ৰাউণ্ডত বিশ্ব ৰেংকৰ ২৭ নম্বৰ খেলুৱৈ আলেকজেণ্ডাৰ বাব্লিকক পৰাস্ত কৰি অঘটন ঘটোৱা নাগালে আজিৰ খেলৰ প্ৰথম ছেটটো জয় কৰাৰ পিছত তেওঁ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰি ইতিহাস ৰচনা কৰিব বুলি ধাৰণা হৈছিল। কিন্তু চীনা খেলুৱৈজনে পৰৱৰ্তী তিনিওটা ছেট জয় কৰি নাগালৰ গতি ৰুদ্ধ কৰে।

# ওৰাং জেনিথ ক্লাৱ চেম্পিয়ন

**ই-সংবাদ, ওদালগুৰি, ১৮ জানুৱাৰীঃ** ওদালগুৰি জিলা ক্ৰিকেট সন্থাৰ উদ্যোগত চলি থকা ষষ্ঠ বাৰ্ষিক অসম প্ৰীমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চূড়ান্ত খেলখন আজি অনুষ্ঠিত হৈ যায়। খেলখনত ওৰাং জেনিথ ক্লাৱে বেচিমাৰী ডায়মণ্ডৰ বিৰুদ্ধে ছয় উইকেটত সহজে জয়ী হৈ প্ৰতিযোগিতাখনিৰ চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। টছত জয়ী হৈ বেট ধৰাৰ সিদ্ধান্তৰে বেচিমাৰীয়ে ২৪.৩ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৮৪ ৰাণতে ইনিংছ সামৰে। ওৰাঙৰ অনন্ত বীৰ আৰু প্ৰাঞ্জল ভদ্ৰই তিনিটাকৈ উইকেট দখল কৰে। ইয়াৰ প্ৰত্যুত্তৰত বেট ধৰি ওৰাঙে মাত্ৰ ১৪.২ অভাৰতে চাৰিটা উইকেট হেৰুৱাই ৮৭ ৰাণ সংগ্ৰহ কৰি জয়ী সাব্যস্ত কৰে। চেম্পিয়ন দললৈ এক লাখ টকাৰ চেক তথা ট্ৰফী প্ৰদান কৰে ওদালগুৰি জিলা ক্ৰিকেট সন্থাৰ সভাপতি ৰিহন দৈমাৰীয়ে। বিজিত দললৈ নগদ পাঁচ হাজাৰ টকা সহ ট্ৰফী প্ৰদান কৰা হয়। আজিৰ খেলখনত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে ওৰাঙৰ প্ৰাঞ্জল ভদ্ৰই।



■ বৰফে ঢকা কানাডাৰ এখন চহৰৰ ৰাজপথৰ দৃশ্য

# থু পেলোৱা মুছলমান যুৱকক ৫ মাহৰ জেল

**অনলাইন ফিচাৰ্ছ, ১৮ জানুৱাৰীঃ** ঘৰৰ সন্মুখৰ ৰাস্তাৰে পাৰ হৈ যোৱা হিন্দু ধৰ্মীয় শোভাযাত্ৰাৰ সময়তে থু পেলোৱাৰ অভিযোগত ৫ মাহ কাৰাবাস খাটিবলগীয়া হ'ল এজন ১৮ বৰ্ষীয় যুৱকে। একেটা অপৰাধতে বুলডোজাৰ লগাই ভাঙি পেলোৱা হয় যুৱকজনৰ বাসগৃহও। এই চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে মধ্যপ্ৰদেশৰ উজ্জয়িনীত। অৱশ্যে ১৫১ দিনৰ দীঘলীয়া কাৰাবাসৰ অন্তত অৱশেষত মধ্য প্ৰদেশ উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত জামিনত মুকলি কৰি দিয়া হয় যুৱকজনক। আৰক্ষীৰ সূত্ৰ অনুসৰি, বিগত বৰ্ষৰ ১৭ জুলাইত আদনান মনছুৰী নামৰ যুৱকজনৰ ঘৰৰ সন্মুখৰ পথেৰে বাহিৰ কৰা হৈছিল শিৱ পূজাৰ এক শোভাযাত্ৰা। সেই সময়ত আদনান, তেওঁৰ কনিষ্ঠ ভাতৃ আৰু আন এজন সম্পৰ্কীয় ভাতৃ থিয় হৈ শোভাযাত্ৰা চাই আছিল ঘৰৰ চাদৰ পৰা। আৰু তেতিয়াই শোভাযাত্ৰাৰ মাজৰ এজন লোকে যুৱকজনৰ বিৰুদ্ধে থু পেলোৱাৰ অভিযোগ তোলে। পৰৱৰ্তী সময়ত ছাৱিয়ান লট নামৰ এজন ব্যক্তিয়ে তিনি মুছলমান যুৱকৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে আদনানসহ তিনিওজন যুৱকক গ্ৰেপ্তাৰ কৰে। ইফালে একেদিনাই নিশা বুলডোজাৰ লগাই ভাঙি পেলোৱা হয় আদনানৰ ঘৰটোও। স্থানীয় প্ৰশাসনে ঘৰ উচ্ছেদ কৰাৰ যুক্তি দি কয় যে দখলকৃত মাটিত থকাৰ বাবেই ভাঙি পেলোৱা হয় ঘৰটো। আনহাতে মুছলমান যুৱকজনৰ ঘৰত বুলডোজাৰ চলোৱাৰ সময়ত স্থানীয় একাংশ হিন্দু যুৱকে ডিজে, ঢোল বজাই নৃত্যও কৰে। এই সন্দৰ্ভত বিজেপিৰ স্থানীয় মুখপাত্ৰ আশীষ আগৰৱালাই কয়, "ভগৱান শিৱক অসন্মান কৰাসকলে শিৱ তাণ্ডৱৰ বাবেও সাজু হোৱা উচিত।" আৰক্ষীৰ সূত্ৰ অনুসৰি আদনান আৰু তেওঁৰ ভাতৃৰ বিৰুদ্ধে ধৰ্মীয় আৱেগক আঘাত হনা, শত্ৰুতা প্ৰচাৰ কৰা, ধৰ্মীয় সমাৱেশত অশান্তিকৰ পৰিৱেশৰ সৃষ্টি কৰাৰ অভিযোগ উত্থাপন কৰা হয়। পৰৱৰ্তী সময়ত আদনানৰ কিশোৰ ভাতৃদ্বয়ক জামিনত মুকলি কৰি দিয়া হয় যদিও আদনান কাৰাগাৰতে থাকিবলগীয়া হয়। পাঁচ মাহৰ কাৰাদণ্ডৰ অন্তত শেহতীয়াকৈ মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত আদনানক মুকলি কৰি দিয়া হৈছে। আনহাতে অভিযোগৰ কোনো তথ্য-প্ৰমাণ অথবা সাক্ষী নোহোৱাকৈয়ে এজন মুছলমান যুৱকক এনেদৰে কাৰাদণ্ডৰ শাস্তি বিহাৰ ঘটনাই মধ্যপ্ৰদেশত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান